**2017**

## ASSAMESE

**Paper : 4.04 (B)**

## STUDY ON SINO-TIBETAN LANGUAGE

Full Marks: 80

Time: 3 hours

The figures in the margin indicate full marks for the questions

১। উত্তৰ লিখা ঃ ১ x ১০ = ১০

(ক) চীন-তিব্বতীয় ভাষা পৰিয়ালৰ অন্তৰ্গত কোনটো মূল ভাষা অসমত প্ৰচলিত ?

(খ) ভাষাবিদ বেনেডিক্টে চীন-তিব্বতীয় ভাষাক কোন দুটা মূল ভাগত বিভক্ত কৰিছে?

(গ) অসম বৰ্মীয় শাখাৰ অৰ্ন্তগত যিকোনো দুটা ভাষাৰ নাম লিখা?

(ঘ) অসমত উপভাষা চৰ্চাৰ বাটকটীয়া বুলিলে কোনগৰাকী ভাষাবিদক বুজা যায়?

(ঙ) বড়ো ভাষাৰ 'ভল্লী' শব্দৰ সমাৰ্থক এটা অসমীয়া শব্দ উল্লেখ কৰা?

(চ) বড়ো ভাষাত ব্যঞ্জন ধ্বনি কেইটা ?

(ছ) ৰাভাসকলৰ এটা প্ৰধান বসতিপূৰ্ণ অঞ্চলৰ নাম উল্লেখ কৰা।

(জ) খামতিসকলে মূলতঃ কোনটো অঞ্চলৰ পৰা প্ৰব্ৰজন কৰিছিল?

(ঝ) টাই-আহোম ভাষাত 'ছে' শব্দটোৰ অৰ্থ কি?

(ঞ) খাই খামতি ভাষাত 'থাই' মানে নাঙল আৰু 'না' মানে পথাৰ। দুয়োটা শব্দৰ সংযুক্ত ৰূপ 'থাই-না' ৰ অৰ্থ কি?

২. চমুকৈ উত্তৰ লিখা ঃ ২ x ৫ = ১০

(ক) অসমীয়া ভাষাত প্ৰাপ্ত যিকোনো দুটা তিব্বত বৰ্মীয় উপাদান উল্লেখ কৰা।

(খ) কোন স্থানত উৎপত্তি হৈ, কোন কোন দিশেৰে, ক'ত ক'ত তিব্বত বৰ্মীয় ভাষা পৰিয়ালৰ লোকসকল বিয়পি পৰে?

(গ) শ্যাম-চীনীয় ভাষাগোষ্ঠীক মুলতঃ কেইটা আৰু কি কি ভাগত ভগাব পাৰি?

(ঘ) টাইফাকে ভাষাৰ কাৰকসূচক শব্দসমূহ কি কি উল্লেখ কৰা?

(ঙ) টাই খামতি ভাষাত প্ৰয়োগ হোৱা সুৰ চাৰিটাৰ নাম লিখা?

৩. চমুটোকা লিখা ঃ (যিকোনো দুটা) ৫ x ২ = ১০

(ক) বড়ো ভাষাৰ নিৰ্দিষ্টতাবাচক প্ৰত্যয়

(খ) ৰাভা ভাষাৰ সৰ্বনাম

(গ) টাই-আইতন ভাষাত ক্ৰিয়াৰ গঠন প্ৰণালী

(ঘ) টাই-টৰুং ভাষাত দ্বিযুক্ত আৰু ত্ৰিযুক্ত ব্যঞ্জন ধ্বনিৰ প্ৰয়োগ ।

৪. বড়ো ভাষাত কাৰক কেইপ্ৰকাৰৰ আৰু কি কি? এই ভাষাৰ কাৰক আৰু কাৰকচিহ্নবোৰৰ বিষয়ে উদাহৰণসহ বুজাই লিখা । ২+৫= ৭

অথবা

বড়ো ভাষাত আৰ্য ভাষাৰ উপাদানসমূহ কিদৰে ৰক্ষিত হৈছে, উদাহৰণসহ আলোচনা কৰা।



P.T.O.

৫. 'অসমীয়া ভাষাত তিব্বত বৰ্মীয় উপাদান' সম্পৰ্কে এটি চমু আলোচনা যুগুত কৰা। ৭

অথবা

অসমীয়া ভাষাত টাই আহোম ভাষাৰ উপাদান সমূহ কিদৰে ৰক্ষিত হৈছে আলোচনা কৰা। ৭

তলৰ যিকোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা।

৬. চীন-তিব্বতীয় ভাষাসমূহৰ শ্ৰেণীবিভাজন সম্পৰ্কে বিভিন্ন পণ্ডিতৰ মতামত চালিজাৰি চাই তাৰে গ্ৰহণযোগ্য বুলি ভবা শ্ৰেণীবিভাজনৰ বিষয়ে সবিশেষ লিখা। ৬ +৬= ১২

৭. অসমীয়া আৰু অসমত প্ৰচলিত যিকোনো এটা তিব্বতবৰ্মীয় ভাষাৰ ধ্বনিতত্ত্ব সম্পৰ্কে এটি তুলনামূলক আলোচনা যুগুত কৰা। ১২

৮. 'অসমীয়া, বড়ো আৰু ৰাভা ভাষাৰ বচন' এই শিতানত এটি তুলনামূলক আলোচনা যুগুত কৰা। ১২

৯. টাই-খামতি ভাষাত উচ্চাৰণৰ স্থান আৰু প্ৰকৃতি অনুসৰি বিশিষ্ট স্বৰ আৰু ব্যঞ্জন ধ্বনিৰ দুখন তালিকা প্ৰস্তুত কৰাৰ লগতে ভিন্ন আৰু অভিন্ন পৰিৱেশত সিবোৰৰ প্ৰয়োগ বিশ্লেষণ কৰা। ১২

১০. অসমীয়া নামবাচক শব্দৰ গঠনত তিব্বত বৰ্মীয় ভাষাৰ প্ৰভাৱ সম্পৰ্কে বিবৰি লিখা । ৮ +৪=১২

——— x ———